অধ্যায় ১২ ঃ তীর্থনাথ শর্মা ঃ 'নাৰদৰ কৃষ্ণ দর্শন'

অধ্যায় গাঁথনি

12.1 উদ্দেশ্য
12.2 পৰিচয়
12.3 তীর্থনাথ শর্মা ঃ জীৱন আৰু কৃতি
12.4 *পঞ্চপুষ্প*
12.4.1 'নাৰদৰ কৃষ্ণ দর্শন'ৰ তাৎপর্য
12.4.2 পুৰণি সাহিত্যত নাৰদ
12.4.3 তীর্থনাথ শর্মাৰ গদ্যৰীতি
12.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
12.6 অধিক জানিবলৈ
12.7 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
12.8 আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ চিন্তাশীল লেখক তীর্থনাথ শর্মাৰ প্রতিভা, কৃতি আৰু পাণ্ডিত্যৰ বিষয়ে জানিব পাৰিব
- তীর্থনাথ শর্মাই কৰা বৈষ্ণৱ ধর্মৰ অন্যতম প্রধান গ্রন্থ *কীর্ত্তনৰ* মনোজ্ঞ আলোচনা পঢ়িবলৈ পাব
- বৈষ্ণৱ সাহিত্যৰ আকর্ষণীয় চৰিত্র নাৰদৰ বিষয়ে জানিব পাৰিব
- কীর্ত্তনৰ এটি প্রধান অধ্যায় 'নাৰদৰ কৃষ্ণ দর্শন'ৰ অন্তর্নিহিত দার্শনিক তাৎপর্য বিশ্লেষণ কৰিব পাৰিব
- বিশিষ্ট কথা সাহিত্যিক তীর্থনাথ শর্মাৰ গদ্যৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিব।

১২.২ পৰিচয়

'অসমীয়া গদ্য সাহিত্য'ৰ শীর্ষক ঐচ্ছিক পাঠ্যবিষয়ৰ এইটো দ্বাদশ অধ্যায়। ইয়াৰ শিৰোনাম 'তীর্থনাথ শর্মা ঃ নাৰদৰ কৃষ্ণ দর্শন'। তীর্থনাথ শর্মা অসমীয়া গদ্যৰ ক্ষেত্রখনলৈ মহত্বপূর্ণ অৰিহণা আগবঢ়োৱা লেখকসকলৰ ভিতৰত অন্যতম। মানযুক্ত গদ্য সৃষ্টি কৰি তাক পঢ়ুৱৈৰ মাজত জনপ্রিয় গদ্য হিচাপে বর্তাই ৰখাতো সহজসাধ্য কথা নহয়। তাৰ বাবে লেখক বা গদ্যকাৰে অহোপুৰুষার্থ কৰিব লাগে। অসমীয়া গদ্য সাহিত্য এইক্ষেত্রত সৌভাগ্যশালী। তাৰ

কাৰণ এইয়ে যে অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱে যি সৃষ্টি কৰি গ'ল সিয়ে পৰৱর্তী সময়ছোৱাত অন্যান্য লেখকক গদ্য শৈলীৰ সৃষ্টিৰ মাধ্যমেৰে অসমীয়া গদ্য সাহিত্যক সমৃদ্ধিশালী কৰিবলৈ অনুপ্রাণিত কৰিছিল। এই বিশেষ পাঠ্যবিষয়ত ভট্টদেৱৰ গদ্য, বুৰঞ্জীৰ গদ্য, চৰিতপুথিৰ গদ্য, অৰুণোদইৰ গদ্য, লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্য, বাণীকান্ত কাকতিৰ গদ্য আৰু শেষত তীর্থনাথ শর্মাৰ গদ্যৰ আলোচনাৰ মাধ্যমেদি শিক্ষার্থীক অসমীয়া গদ্য সাহিত্যৰ কেইগৰাকীমান গুৰুত্বপূর্ণ গদ্যকাৰৰ ৰচনাৰ লগত পৰিচিত কৰোৱা হ'ল। ইয়াত তীর্থনাথ শর্মাৰ গদ্যৰ বৈশিষ্ট্যপূর্ণ দিশসমূহৰ কথা আলোচনা কৰা হৈছে।

অসমীয়া সাহিত্যৰ যুগনির্মাতা, সমাজ সংগঠক শঙ্কৰদেৱ আছিল অসমত বৈষ্ণৱ ধর্মৰো প্রৱর্তক। তেওঁৰ জন্মৰ সময়লৈকে পুৰণি কামৰূপ আৰু অসমত শৈৱ-শাক্ত-তান্ত্রিক ধর্মৰ গভীৰ প্রভাৱ আছিল। বিষ্ণু উপাসনাৰ ক্ষীণ সুঁতি এটা ইয়াত প্রৱাহিত হৈ থকাৰ স্বাক্ষৰ যথেষ্ট পোৱা যায় যদিও ইয়াৰ প্রভাৱ ব্যাপক নাছিল। শঙ্কৰদেৱে প্রথমবাৰ উত্তৰ ভাৰতৰ তীর্থ ভ্রমণলৈ যোৱাৰ পিছত তেওঁৰ মনত ভক্তি ধর্মই গভীৰভাৱে ৰেখাপাত কৰে আৰু অসমতো তেওঁ ইয়াৰ বিস্তাৰৰ বাবে আত্মনিয়োগ কৰে। বিষ্ণু বা কৃষ্ণই হ'ল বৈষ্ণৱ ভক্তিধর্মৰ একমাত্র উপাস্য দেৱতা। আনহাতে এই বিষ্ণুৰ মহত্ব ঘোষিত সর্বভাৰতীয় প্রধান গ্রন্থ হ'ল *গীতা-ভাগৱত*। সেয়েহে কৃষ্ণক ব্রহ্ম, পৰমাত্মা, ভগৱান, সৃষ্টি-স্থিতি লয়ৰ নিয়ন্তা বা সর্বশক্তিমান ৰূপে মানুহৰ সন্মুখত ব্যাখ্যা কৰিবলৈ গৈ শঙ্কৰদেৱে আধাৰ ৰূপে প্রধানকৈ গ্রহণ কৰিলে *গীতা* আৰু *ভাগৱত*কে। দুয়োখন গ্রন্থৰ সাৰ সংগ্রহ কৰি তেওঁ বৈষ্ণৱৰ মনোগ্রাহী হোৱাকৈ গীত, নাট, কাব্য, *কীর্ত্তন* আদি ৰচনা কৰিলে। সেয়েহে এইসমূহত কাহিনীয়েই থাকক বা আনন্দ আহ্লাদকাৰী ৰসেই থাকক, কিন্তু এই সকলোৰে অন্তৰালত যে কৃষ্ণৰ মাহাত্ম্য ঘোষণা কৰিব পৰা এক পৰম দার্শনিক তত্ত্ব নিহিত হৈ থাকে সেয়া নিশ্চিত। শঙ্কৰদেৱৰ *কীর্ত্তনৰ* ক্ষেত্রটো এই কথা সম্পূর্ণৰূপে প্রযোজ্য। বৈষ্ণৱ ধর্মৰ মূল পুথিসমূহৰ অন্যতম *কীর্ত্তনৰ* একো একোটা খণ্ডত লুকাই থকা আদর্শবোৰে সাধাৰণ মানুহক যিদৰে শিক্ষা বা জ্ঞানৰ সন্ধান দিয়ে সেইদৰে চিন্তাবিদসকলকো নতুন নতুন চিন্তাৰ খোৰাক যোগায়। এনে চিন্তাৰ ফলশ্রুতি ৰূপেই পণ্ডিত তীর্থনাথ শর্মাৰ 'নাৰদৰ কৃষ্ণ দর্শন' প্রবন্ধৰ সৃষ্টি।

১২.৩ তীর্থনাথ শর্মা ঃ জীৱন আৰু কৃতি

তীর্থনাথ শর্মাৰ জীৱনীকাৰ, কৃতবিদ্য আলোচকৰ লেখনীৰ পৰা প্রাপ্ত তথ্য অনুসৰি আহোম ৰজাই ভালেমান প্রাচীন বেদাধ্যায়ী ব্রাহ্মণ পৰিয়ালক শিলৰ খুটা মাৰি ভূমি আবণ্টন দি প্রতিষ্ঠা কৰিছিল। তেনে এটা বেদাধ্যায়ী ব্রাহ্মণ পৰিয়ালতে পণ্ডিত তীর্থনাথ শর্মাৰ জন্ম। গোলাপ চন্দ্র শর্মাৰ ঔৰষত আৰু চেনেহী দেৱীৰ গর্ভত 1911 চনৰ 23 অক্টোবৰ তাৰিখে তীর্থনাথ শর্মাৰ জন্ম। জন্মস্থান এতিয়াৰ জাঁজীৰ অন্তর্গত জাঁজী গড়মূৰ বামুণগাঁও। নিচেই কম বয়সতে তেওঁ তেওঁৰ মাতৃক হেৰুৱাইছিল যদিও বিমাতা শোভনেশ্বৰী দেৱীৰ আদৰ-যত্নত তেওঁৰ ল'ৰালিকাল পাৰ হয়। তেওঁৰ পিতৃ আবকাৰী বিভাগৰ বিষয়া আছিল। চাকৰি সূত্রে তেওঁৰ বিভিন্ন স্থানলৈ বদলি হৈছিল। সেই সূত্রে তীর্থনাথে যোৰহাট, তেজপুৰ আদি ঠাইত স্কুলীয়া শিক্ষা লাভ কৰি

1929 চনত তেজপুৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্রথম বিভাগত প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হয়। তাৰ পাছত তেওঁ কটন মহাবিদ্যালয়ৰ আই.এ. শ্রেণীত ভর্তি হয়। 1930 চনত তেওঁ আইন অমান্য আন্দোলনত যোগদান কৰি এবছৰৰ বাবে শ্রেণী বর্জন কৰে। সেই সময়ছোৱাত হেমচন্দ্র বৰুৱা, অমিয় কুমাৰ দাস, তৰুণৰাম ফুকন, সিদ্ধিনাথ শর্মা আদি দেশনেতাসকলৰ সান্নিধ্যত ভাৰতীয় মুক্তি সংগ্রামৰ প্রতি উদ্বুদ্ধ হয় আৰু অসমৰ বিভিন্ন ঠাইত স্বাধীনতা আন্দোলনৰ বাণী প্রচাৰ কৰে আৰু সংগঠনৰ কামত ব্রতী হয়। তেওঁ কেইবা মাহৰ বাবে কাৰাবাস খাতিবলগীয়া হৈছিল। তেওঁ 1932 চনত প্রথম বিভাগৰ ইণ্টাৰমিডিয়েট, 1934 চনত সংস্কৃতত সন্মানসহ দ্বিতীয় শ্রেণীত স্নাতক পৰীক্ষাত উত্তীর্ণ হয়। তেওঁ 1937 চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতৰ বেদ শাখাত স্নাতকোত্তৰ উপাধি লাভ কৰে। তেওঁ কলিকতাত থকা কালতে আইনৰ দুটা পৰীক্ষাত উত্তীর্ণ হয় যদিও চূড়ান্ত পৰীক্ষাত তেওঁৰ বহা নহ'ল। কলিকতাত থকা কালতেই তেওঁ ওস্তাদ বলিউল্লা খাঁৰ ওচৰত চেতাৰ বাদন শিকিছিল।

1938 চনত কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত তেওঁৰ কর্মজীৱন আৰম্ভ হয়। একে চনতে কেইমাহমান আগতে তাত পূর্ণ পর্যায়ৰ অসমীয়া বিভাগৰ শুভ উদ্বোধন হৈছিল। সেই বিভাগত অধ্যাপনা কৰি থকা বিৰিঞ্চি কুমাৰ বৰুৱাই কটন কলেজত আহি যোগদান কৰাত তীর্থনাথ শর্মাই পোনতে অংশকালীন আৰু 1938 চনত নৱেম্বৰ মাহত পূর্ণকালীন অসমীয়াৰ অধ্যাপক ৰূপে নিযুক্তি পাই 1948–1950 চনলৈকে সেৱা আগবঢ়ায়।

1936 চনত তেওঁ গুৱাহাটীৰ ভৰলুমুখৰ প্রসিদ্ধ আইনজীৱী, দেশনেতা আৰু সমাজসেৱী কামাখ্যাৰাম বৰবাৰ কন্যা নির্মলা দেৱীক বিয়া কৰায়। সেই সময়ৰ অসমৰ প্রধানমন্ত্রী গোপীনাথ বৰদলৈৰ উদ্যোগত কটন কলেজত অসম শিক্ষা সেৱাৰ প্রথম শ্রেণীৰ অন্তর্ভুক্ত এটা গ্রন্থাগাৰিকৰ পদ সৃষ্টি কৰা হয়। 1950 চনৰ নৱেম্বৰ মাহত তীর্থনাথ শর্মাই কটন কলেজৰ গ্রন্থপাল ৰূপে যোগদান কৰি 1956 চনত এই পদৰ পৰা ইস্তফা দি পশ্চিম গুৱাহাটীৰ প্রস্তাৱিত মহাবিদ্যালয় এখনৰ স্থাপনত কায় মনো বাক্যে লাগে। সময়ত পশ্চিম গুৱাহাটীত প্রাগজ্যোতিষ মহাবিদ্যালয় নামৰ উচ্চ শিক্ষাৰ প্রতিষ্ঠান গঢ় লৈ উঠে। গুৱাহাটী কমার্চ কলেজ স্থাপনতো শর্মাৰ অৱদান উল্লেখযোগ্য।

1971 চনত মাকুমত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিবেশনত তীর্থনাথ শর্মাই সভাপতিত্ব কৰিছিল। সামাজিক কাম-কাজৰ লগত জড়িত শর্মাই কলিকতাত থকা কালৰে পৰা আচামিজ ষ্টুডেণ্টচ্ লিটাৰেৰী ক্লাব, বিশ্বহিন্দু পৰিষদ, অসম কলেজ শিক্ষক সম্থা, অসম সঙ্গীত সম্মিলনী, অসম সঙ্গীত নিকায় আদি বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ আছিল। মৰণোত্তৰভাৱে 'বেণুধৰ শর্মা' গ্রন্থৰ বাবে তেওঁক 1987 চনৰ 'সাহিত্য অকাদেমি' পুৰস্কাৰ প্রদান কৰা হয়। তেওঁৰ পত্নী নির্মলা দেৱীয়ে সেই পুৰস্কাৰ গ্রহণ কৰিছিল।

তীর্থনাথ শর্মা নিজ পাণ্ডিত্যৰ গুণে মহীয়ান। তেওঁ যিকেইখন গভীৰ, তত্ত্বপূর্ণ, তথ্য সমৃদ্ধ গ্রন্থ ৰচনা কৰি গৈছে, সেইসমূহে এই জ্ঞানযোগী পণ্ডিত গৰাকীৰ তীক্ষ্ণধী শক্তিৰ লগত আমাক পৰিচয় কৰাই দিয়ে। মূলতঃ গভীৰ বিষয়বস্তু সমৃদ্ধ ৰচনাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰা গদ্যসাধক তীর্থনাথ শর্মাৰ কৃতিসমূহ হৈছে—

- **আলোচনামূলক গ্ৰন্থ ঃ** *সাহিত্য-বিদ্যা পৰিক্ৰমা, ভক্তিবাদ।*
- **কবিতা সংগ্ৰহ ঃ** কামসেন্দুৰ, অগ্ৰন্থিত কবিতা।
- **উপনিষদ অনুবাদ ঃ** উপনিষদ অষ্টক, ছান্দোগ্য উপনিষদ।
- **গান্ধীজীৰ আত্মজীৱনীৰ নিৰ্বাচিত অনুবাদ ঃ** গান্ধী শিক্ষা সাৰ
- **বুৰঞ্জীমূলক ৰচনা ঃ** আউনীআটী সত্ৰৰ বুৰঞ্জী।
- **জীৱনীমূলক ৰচনা ঃ** ঝাঁন্সীৰ ৰাণী, বেণুধৰ শৰ্মা, ৰত্নসংগম।
- **গহীন বিষয়বস্তুযুক্ত প্ৰবন্ধ ৰচনা ঃ**পঞ্চপুষ্প।
- **নাটক ঃ** *গাধন, এপিয়লা চাহ।*

ইয়াৰ উপৰি তেওঁ *প্ৰাচীন ভাৰতীয় চিন্তা, বৈষ্ণৱ সাহিত্য-সংস্কৃতি, সুধী সঙ্গম, গান্ধী প্ৰসঙ্গ, শিৱশক্তি প্ৰসঙ্গ, মিশ্ৰিত চিন্তা* শীৰ্ষক কেইবাখনো প্ৰবন্ধ সঙ্কলন, কেইবাটাও উল্লেখযোগ্য গল্প ৰচনা কৰাৰ লগতে এখন আত্মজীৱনী ৰচনা কৰিছিল। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে তেওঁ *শ্ৰীশ্ৰীমাধৱদেৱৰ নামঘোষা* নামৰ গ্ৰন্থখনৰ বাবে এটা উৎকৃষ্ট পাতনি লিখাৰ লগতে কেইবাখনো কাকত-আলোচনীত বিভিন্ন বিষয়ক প্ৰসঙ্গিক সম্পাদকীয়ও লিখিছিল।

এইগৰাকী জ্ঞানযোগী ব্যক্তিত্বশালী পুৰুষৰ কৃতিত চকু ফুৰালে বোধগম্য হয় যে তেওঁ জ্ঞানৰ অন্বেষণত নিজকে সমৰ্পণ কৰি দিছিল। এই সমৰ্পণৰ ভাবনাই তেওঁৰ ব্যক্তিত্ব মহীয়ান কৰি তুলিছে। ব্যক্তিত্বৰ পৰা বিৰিঙি পৰা এই জ্ঞান প্ৰভাৰ বাবে আমি তেওঁক পণ্ডিত তীৰ্থনাথ শৰ্মা ৰূপে জানো। এইগৰাকী কৃতবিদ্য মহান অসম সন্তানে 1985 চনৰ 23 অক্টোবৰ তাৰিখে নৰলীলা ত্যাগ কৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তীৰ্থনাথ শৰ্মাৰ জীৱন আৰু কৃতিৰ বিষয়ে চমু আভাস দিয়ক। (150টা শব্দৰ ভিতৰত)



চিন্তা-চৰ্চা কৰক - ১২.১

তীৰ্থনাথ শৰ্মাৰ *উপনিষদ অষ্টক* আৰু *ছান্দোগ্য উপনিষদ*ৰ অন্বয়মূলক অনুবাদৰ মাজেদি তীৰ্থনাথ শৰ্মাৰ তত্ত্বদৰ্শী মনটোৰ পৰিচয় দিয়ক।

১২.৪ *পঞ্চপুষ্প*

পঞ্চপুষ্প পণ্ডিত তীৰ্থনাথ শৰ্মাৰ এক বহুমূলীয়া, তথ্যসমৃদ্ধ প্ৰবন্ধ সঙ্কলন। সঙ্কলনখনৰ পাতনিত প্ৰবন্ধকাৰে নিজেই উল্লেখ কৰি গৈছে যে *পঞ্চপুষ্পত* অন্তৰ্ভুক্ত কৰা প্ৰবন্ধসমূহে তেওঁ বিভিন্ন প্ৰয়োজনত বেলেগ বেলেগ সময়ত ৰচনা কৰিছিল। তাৰে কেইটামান খৰধৰকৈ লিখা আৰু অন্য কেইটামান 'ধীৰে-সুস্থে ভাবি-চিন্তি যুগুত' কৰা। সেই প্ৰবন্ধসমূহ *আৱাহন, বাঁহী, সুৰভি,*

ৰামধেনু, মণিদীপ, নৱযুগ আদিত প্রকাশিত হৈছিল। সঙ্কলনখনৰ মনোজ্ঞ পৰিচয় আগবঢ়োৱা আলোচক পণ্ডিত সত্যেন্দ্রনাথ শর্মাৰ কথাৰ আঁত ধৰি এইটো ক'ব পাৰি যে এই গ্রন্থখন পাঁচটা পর্বত বিভক্ত। পাঁচোটা পর্বত সর্বমুঠ চৌত্রিশটা প্রবন্ধ সন্নিৱিষ্ট হৈছে।

প্রথম পর্বত অন্তর্ভুক্ত হোৱা প্রবন্ধসমূহ উপনিষদ আদি গভীৰ বিষয়বস্তুযুক্ত গ্রন্থৰ পৰা চয়ন কৰা বিষয়ৰ আলোচনাৰে সমৃদ্ধ।উপনিষদৰ জটিল আধ্যাত্মিক তত্ত্বক সাধাৰণ মানুহৰ বাবে সৰলভাৱে উপস্থাপন কৰাতো জটিল কাম। অথচ এইগৰাকী জ্ঞান তপস্বীয়ে জ্ঞানৰ এই অখণ্ড ভঁৰালৰ পৰা মণি-মুকুতা বাচি আনি সর্বসাধাৰণৰ মাজত তাক বিলাই দিবলৈ সমর্থ হৈছিল। দ্বিতীয় পর্ব বা প্রবন্ধকাৰৰ ভাষাত 'দ্বিতীয় পুষ্প'ত সন্নিৱিষ্ট হোৱা প্রবন্ধসমূহৰ বিষয়বস্তু মধ্যযুগীয় অসমৰ বৈষ্ণৱ ধর্ম আৰু সাহিত্য। তৃতীয় পর্বৰ আলোচনাত বৈষ্ণৱ যুগৰ নাট, বিশেষত্বপূর্ণ কাব্য আৰু চৰিত্র সন্নিৱিষ্ট হৈছে। প্রবন্ধ সঙ্কলনৰ পাতনি লেখক গৰাকীৰ দৃষ্টিত *ৰাম-নৱমী নাটক* পুৰণি আৰু নতুনৰ সন্ধিক্ষণৰ নাটক।তদুপৰি পর্বটোত প্রত্যক্ষ অথবা পৰোক্ষভাৱে কেৱল নাটকৰ লগত জড়িত আলোচনাহে সন্নিৱিষ্ট হৈছে। সেইবাবে *ৰাম-নৱমী নাটক*ৰ আলোচনাই এই বিশেষ পর্বটোত স্থান পাইছে।

চতুর্থ পর্বত সন্নিৱিষ্ট হোৱা প্রবন্ধকেইটা আধুনিক সাহিত্য সম্বন্ধীয়। এই প্রবন্ধসমূহৰ মাজেদি সাহিত্য সমালোচক তীর্থনাথ শর্মাৰ গভীৰ মননশীলতাৰ অন্য এটা দিশ উন্মোচিত হয়।

*পঞ্চপুষ্প*ৰ শেষ পুষ্পপাহ অর্থাৎ পঞ্চম পর্বত সন্নিৱিষ্ট কৰা প্রবন্ধকেইটা ভাষা বিষয়ক। পাতনিকাৰ গৰাকীৰ ভাষাত— "স্বাধীনতা পোৱাৰ পাছতে কেন্দ্রীয় চৰকাৰে পাতি দিয়া পৰিভাষা সমিতিত তেওঁ অসম চৰকাৰৰ মনোনীত সদস্য আছিল আৰু পাছত অসম চৰকাৰে পাতি দিয়া পৰিভাষা সমিতিৰ আহ্বায়ক আছিল। এইটো অৱশ্যে 1960 চনৰ আগৰ কথা। এই গ্রন্থত সন্নিৱিষ্ট পৰিভাষা সম্বন্ধীয় প্রবন্ধটো সেই সময়ৰ অভিজ্ঞতাৰ ভেঁটিত ৰচনা কৰা যেন অনুমান হয়। বিদেশী শব্দৰ লিপ্যন্তৰৰ সমস্যা এতিয়াও অস্থিৰ অৱস্থাতে আছে। এই গ্রন্থৰ প্রবন্ধ বিশেষত আগবঢ়োৱা সুচিন্তিত অভিমত ভাবি চাবলগীয়া।"

আমাৰ পাঠ্যবিষয়ৰ অন্তর্গত 'নাৰদৰ কৃষ্ণ দর্শন' প্রবন্ধটো এইখন প্রবন্ধ সঙ্কলনৰ দ্বিতীয় পুষ্পৰ অন্তর্গত। ইতিমধ্যে উল্লেখ কৰা হৈছে যে দ্বিতীয় পুষ্পত অন্তর্ভুক্ত প্রবন্ধসমূহৰ বিষয়বস্তু মধ্যযুগীয় অসমৰ বৈষ্ণৱ ধর্ম আৰু সাহিত্য। আমাৰ আলোচ্য পাঠটিৰ বিষয়বস্তুও *কীর্ত্তন* পুথিৰ অন্তর্গত এটি অধ্যায়। তলত পাঠটিৰ বিষয়ে বহলাই আলোচনা আগবঢ়োৱা হ'ল।



জানি থোৱা ভাল

তীর্থনাথ শর্মাৰ *পঞ্চপুষ্প*ত সন্নিৱিষ্ট হোৱা প্রবন্ধসমূহ হৈছে ক্রমে—

প্রথম পুষ্প ঃ উমা হৈমাৱতী, জ্ঞানার্থীৰ তপস্যা, শিশুভাৱ, ৰজা নহয় ৰাজর্ষি, স্বর্গাৰোহণ আৰু স্বৰাজ্য বা ধর্মৰাজ্য, শিক্ষাৰ আদর্শ, ভাৰতীয় আদর্শত বৈৰাগ্য, গান্ধীবাদ— দৈৱী বিচাৰ।

দ্বিতীয় পুষ্প ঃ মাধৱ কন্দলী আৰু মহামাণিক্য, ৰাম-বিৰাধ সংবাদ, কৃষ্ণজন্ম, দৰিদ্ৰ দামোদৰ, বৈৰভাব, অজামিল উপাখ্যান আৰু নামৰ সাতকার্য, নাৰদৰ কৃষ্ণ দর্শন, প্ৰহ্লাদ চৰিত্ৰ, মোহন বংশী, ৰাস ক্ৰীড়া, ৰাহস্যিক মাধৱদেৱ, স্বান্তঃ সুখায়।

তৃতীয় পুষ্প ঃ অঙ্কীয়া নাট, ৰুক্মিণী-সত্যভামা, মহামোহ কাব্য বিচাৰ, শ্ৰীমদ্ভগৱদ্‌গীতা, অসমীয়া বৈষ্ণৱ কবিৰ নাৰদ, ৰাম-নৱমী নাটক।

চতুর্থ পুষ্প ঃ কাব্য-প্ৰয়োজন, দুৱৰাৰ কবিতাত 'পাহৰণি', কবি দুৱৰাৰ 'আপোন সুৰ', দুৱৰাৰ কবিতাৰ কেইটিমান লক্ষণ, বিহঙ্গ সুৰ—প্ৰেমানন্দৰ অভিব্যক্তি

পঞ্চম পুষ্প ঃ অসমীয়া পৰিভাষা, অসমীয়া ভাষাত অর্থবিবর্তনৰ কেইটামান নমুনা, বিদেশী শব্দৰ অসমীয়া অক্ষৰান্তৰ।

১২.৪.১ 'নাৰদৰ কৃষ্ণ দর্শন'ৰ তাৎপর্য

'নাৰদৰ কৃষ্ণ দর্শন' শঙ্কৰদেৱৰ *কীর্ত্তনৰ* অন্তর্গত বিংশতম অধ্যায়। বিষয়বস্তুৰ ভিত্তিত বাপচন্দ্ৰ মহন্তই *কীর্ত্তনৰ* খণ্ডবোৰক তিনিটা ভাগত বিভক্ত কৰিছে—

1) লীলা বিষয়ক
2) লীলাহীন প্ৰার্থনা, তত্ত্ব আৰু ব্যৱস্থাপ্ৰধান
3) অন্য কাহিনী আৰু তীর্থ আৰু ব্যৱস্থাপ্ৰধান

'নাৰদৰ কৃষ্ণ দর্শন' খণ্ড লীলা বিষয়ক শ্ৰেণীৰ অন্তর্গত। অর্থাৎ যিসমূহ অধ্যায়ত মূল বিষয়বস্তু ৰূপে কৃষ্ণৰ জীৱন লীলা বর্ণিত হৈছে সেইসমূহকেই এই শ্ৰেণীৰ অন্তর্ভুক্ত কৰা হৈছে। *কীর্ত্তনৰ* সৰহ সংখ্যক অধ্যায়ৰ দৰে এইটো অধ্যায়ৰো আধাৰ হ'ল *ভাগৱত পুৰাণ*। মূল ভাগৱতৰ 'কৃষ্ণ গার্হস্থ্য দর্শন' বর্ণনাটোকে ইয়াত 'নাৰদৰ কৃষ্ণ দর্শন' ৰূপে ৰচনা কৰা হৈছে। কৃষ্ণৰ গার্হস্থ্য জীৱন লীলা বর্ণনা কৰা এই অধ্যায়ত পাঁচটা কীর্ত্তন আছে। ইয়াৰে প্ৰথমটিক বাদ দি দ্বিতীয়টিৰ পৰা পঞ্চমলৈকে কীর্ত্তনকেইটাত নাৰদৰ এই কৃষ্ণ দর্শনৰ কথা বর্ণিত হৈছে।

কৃষ্ণৰ অপৰিসীম আশ্চর্যকৰ মহিমাৰ বুজ ল'বলৈ নাৰদ দ্বাৰকালৈ আহিল। সুন্দৰভাৱে সুসজ্জিত দ্বাৰকাত বিবিধ ফুলে আমোলমোলাই সুগন্ধি বিলাইছে, নানাবিধ চৰাইয়ে কুজন কৰি পৰিৱেশ মুখৰিত কৰিছে। উদ্যানৰ মাজত আছে দিব্য সৰোবৰ। বিভিন্ন মণি-মুক্তা খচিত আবাসগৃহসমূহ ইয়াতে অৱস্থিত। বর্ণনাসমূহ দেখিলে অনুভৱ হয় এয়া সততে বৈষয়িক সুখৰ ক্ষণভংগুৰতা আৰু ভক্তিৰ শ্ৰেষ্ঠত্বৰ কথা কোৱা কৃষ্ণৰ বাসস্থান নহয়। এইয়া যেন শ্ৰেষ্ঠতম ভোগ বিলাসেৰে জীৱন কটোৱা কোনোবা ৰজাৰহে ৰাজধানী। তাতে আকৌ দিব্য আবাসসমূহৰ প্ৰত্যেকতে কৃষ্ণই নিজে বেলেগ বেলেগ ভূমিকাত অৱতীর্ণ হৈছে। তেওঁৰ ৰূপ একে কিন্তু কার্য পৃথক; ক'ৰবাত ঘোঁৰাত উঠিছে, ক'ৰবাত হোম কৰিছে, ক'ৰবাত কেঁচুৱা নিচুকাইছে, ক'ৰবাত পাশা খেলিছে, ক'ৰবাত ৰমণীৰ সৈতে জলকেলি কৰিছে। মুঠতে ষোড়শ হাজাৰ গৃহত নাৰদে কৃষ্ণক সুকীয়া

সুকীয়া ৰূপত দেখিবলৈ পালে। কেৱল দেখাই নহয় প্রতিখন ঘৰতে নাৰদক যথাযোগ্য মান সৎকাৰ কৰাত অলপো ব্যাঘাত ঘটা নাই। গৃহস্থ ৰূপী কৃষ্ণৰ কার্যকলাপ চাই নাৰদ বিস্ময়াভিভূত হ'ল। তেওঁৰ হেঁপাহ পলাল। এয়া যে পৰমব্রহ্ম ভৱগানৰেই মায়া সেয়া তেওঁৰ অনুভৱ হ'ল। কৃষ্ণয়ো নাৰদৰ প্রতি বিনম্র অনুৰোধ জনালে যে এয়া নাৰদৰ চলনা কৰিবলৈ কৰা কাম নহয়। পৃথিৱীৰ জ্ঞানী-মূর্খ সকলোৱে বুজিব পৰাকৈ সংসাৰ ধর্মৰ বিশেষ শিক্ষা দিয়াই তেওঁৰ মুখ্য উদ্দেশ্য।

'নাৰদৰ কৃষ্ণ দর্শন'ৰ এই কথাখিনিত শঙ্কৰদেৱৰ বৈষ্ণৱ ধর্মৰ আদর্শ আৰু তত্ত্বৰ প্রকাশ ঘটিছে। সৰু-বৰ সকলোৰে বোধগম্য হোৱাকৈ ধর্মৰ জটিল কথাকো সাহিত্য আৰু সঙ্গীতৰ মাধ্যমেৰে প্রকাশ কৰাৰ তেওঁ যি চেষ্টা চলাইছিল *কীর্ত্তন* এই প্রচেষ্টাৰেই আটাইতৈ সার্থক আৰু প্রভাৱশালী কীর্তিস্তম্ভ। অন্যান্য অধ্যায়সমূহৰ দৰে নাৰদৰ কৃষ্ণ দর্শনো ওপৰুৱাভাৱে চাবলৈ গ'লে মনোৰঞ্জন দিব পৰা, আশ্চার্যান্বিত কৰিব পৰা এটি সুন্দৰ কাহিনী। কিন্তু ইয়াৰ মাজেদিও আচলতে কৃষ্ণ মাহাত্ম্যই ঘোষণা কৰা হৈছে। শ্রীমন্ত শঙ্কৰদেৱৰ মূল দার্শনিক তত্ত্ব হৈছে বিষ্ণুৱেই সর্বময় কর্তা, সর্বশক্তিৰ অধিকাৰী। তেৱেঁই এই বিশ্ব-ব্রহ্মাণ্ড, জীৱজগতৰ স্থাৱৰ জঙ্গমৰ সৃষ্টিকর্তা, শাসনকর্তা। তেওঁৰ মায়াই সকলোকে আচ্ছন্ন কৰি ৰাখিছে। এই সর্বগ্রাহী মায়াৰ স্বৰূপ সাধাৰণ মানুহতো বাদেই শ্রেষ্ঠতম দেৱতায়ো সার্থকভাৱে উপলব্ধি কৰিব নোৱাৰে আৰু তেওঁলোক কোনো ইয়াৰ ঊর্ধতো নহয়। এই মায়াৰ বলেৰেই তেওঁ জগত স্রজিছে আৰু মিছাকো সঁচা ৰূপে মানুহৰ আগত প্রতীয়মান কৰিছে। ভগৱান কৃষ্ণৰ এক অংশী শক্তি এই মায়াৰ দ্বাৰা মুক্ত হৈয়ে পৃথিৱীত জীৱৰ নানা লটি-ঘটি হয়। অথচ মায়াৰ পৰা আঁতৰত থকাও সহজ নহয়। এই যোগমায়াৰ বলতেই অৱতাৰী কৃষ্ণই নানা ৰূপে লীলা কৰি নানা কার্য সাধন কৰিছে। কেতিয়াবা পাপক পৰাভূত কৰি ন্যায় প্রতিষ্ঠা কৰা, কেতিয়াবা সংসাৰত যাত্রাৰ বিষময় যন্ত্রণাৰ পৰা মুক্তি পাব পৰা পথৰ সন্ধান দিয়া, কেতিয়াবা ভক্তৰ মনোবাঞ্ছা পূৰণেৰে নিৰলস ভক্তিৰ শ্রেষ্ঠত্ব দেখুওৱা আদি কাম কৃষ্ণই কৰিবলৈ সক্ষম হৈছে একমাত্র মায়াৰ গুণত। অর্থাৎ যি মায়াৰে তেওঁ ৰাসলীলা কৰিলে, যি মায়াৰে তেওঁ হৰমোহন কাণ্ড কৰিলে সেই একে মায়াৰ গুণতেই তেওঁ নাৰদে দেখিবলৈ পোৱা কৃষ্ণৰ গার্হস্থ্য লীলাও কৰিলে। এক কৃষ্ণই বহুজন হৈ তেওঁৰ ভক্তা গোপিনীসকলৰ মনোকামনা পূৰণ কৰিব পাৰে যেতিয়া সেই কৃষ্ণয়েই একে সময়তে বিভিন্ন ৰূপত অৱতীর্ণ হৈ বিভিন্ন কার্য কৰাত আচৰিত হ'বলগীয়া একো নাই। এইয়া ভগৱানৰে অন্তর্নিহিত গুণ মায়াৰেই চলনা মাত্র। কৃষ্ণৰ মায়াৰে কৰিব নোৱাৰা অসাধ্য কার্য একো নাই। আনহাতে, এয়া একমাত্র সেই বিষ্ণু বা কৃষ্ণৰ পক্ষেহে সম্ভৱপৰ। আকৌ সেই বিষ্ণুৱেইনাম-ধর্মৰ একমাত্র উপাস্যদেৱতা। গতিকে শঙ্কৰদেৱে "এক দেৱ এক সেৱ এক বিনে নাই কেৱ" বুলি যি বিষ্ণুক উপাসনা কৰাৰ কথা কৈছিল সেই বিষ্ণুৰ মায়া বা মহিমাকে তেওঁ নাৰদৰ কৃষ্ণ দর্শনৰ জৰিয়তে ব্যাখ্যা কৰিছে। যিজনে নিজেই অনেক হৈ এনে অসাধ্য কৰিব পাৰে সেই

সর্বশক্তিমানৰ অপৰিসীম অসাধাৰণ ক্ষমতা সৰু-বৰ সকলোবোৰ উপলব্ধি কৰোৱাত এই ক্ষেত্রত শঙ্কৰদেৱে বিষ্ণুৰ শ্রেষ্ঠতা আৰু অসীম মায়া অধ্যায়টিৰ জৰিয়তে উদ্ভাসিত হৈছে। "তুমি পৰমাত্মা জগতৰ ঈশ এক। একো বস্তু নাহিকে তোমাত ব্যতিৰেক। তুমি কার্য কাৰণ সমস্ত চৰাচৰ।"—শঙ্কৰদেৱে সমগ্র কার্য কাৰণৰ আদিমূল হিচাপে কৃষ্ণকে বিভিন্ন ৰচনাত দেখুওৱাৰ দৰে কৃষ্ণকে আলোচিত অধ্যায়টিতো দেখুৱাব বিচাৰিছে।

শঙ্কৰদেৱৰ সাহিত্য সৃষ্টিৰ মুখ্য উদ্দেশ্য আছিল লোকশিক্ষা। সেয়ে তেওঁ দার্শনিক তত্ত্বকথাৰ জটিল ব্যাখ্যাৰ ওপৰত গুৰুত্ব নিদি সহজভাৱে ভক্তিৰ মহত্ব প্রকাশতহে গুৰুত্ব দিছিল। তেওঁৰ মতে মায়াৰ অধিষ্ঠাতা হ'ল ঈশ্বৰ আৰু মায়া ছেদ কৰি ঈশ্বৰ প্রাপ্তিৰ বাবে ভক্তিয়েই হ'ল অব্যর্থ বা একমাত্র উপায়। ভক্তিবিবেচিত কাম, জ্ঞান, ধ্যান, আচৰণ সকলো নিৰর্থক। লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত ক'বলৈ গ'লে— "শঙ্কৰী ধর্মৰ কর্ম ঈশ্বৰৰ উদ্দেশ্য কর্ম, জ্ঞান-ঈশ্বৰৰ জ্ঞান ধ্যান ঈশ্বৰৰ ধ্যান; কিন্তু সকলো ভক্তিমূলক।" আনহাতে, এই ভক্তিৰে ন বিধ প্রকাৰ ক্রমে শ্রৱণ, কীর্ত্তন, অর্চন, বন্দন, স্মৰণ, দাস্য, সখ্য, পদসেৱন আৰু আত্মবিলোপনৰ ভিতৰত শ্রৱণ-কীর্ত্তনকেই শ্রেষ্ঠ ৰূপে শঙ্কৰদেৱে ব্যাখ্যা কৰিছে। তেওঁৰ বিভিন্ন সাহিত্যৰ মাজেদি শ্রৱণ-কীর্ত্তনৰ শ্রেষ্ঠ বুলি বর্ণিত হৈছে। *কীর্ত্তন ঘোষা*তো শঙ্কৰদেৱে বিভিন্ন আখ্যান-উপাখ্যানৰ দ্বাৰা সংসাৰ তাৰণৰ এই শ্রেষ্ঠ পন্থাৰ কথাকেই সকলোৰে আগত দাঙি ধৰিছে। কিন্তু যি শ্রৱণ কীর্ত্তনৰ দ্বাৰা সংসাৰৰ সমস্ত মায়া, পাপ, বান্ধোন আদিৰ পৰা মুক্ত হ'ব পাৰি, পৰম ব্রহ্মৰ সামীপ্য পাব পাৰি সেই নির্মল ভক্তিৰ বাবে উদাসীন ভকত বা সন্ন্যাসী হো�ৱাৰ প্রয়োজন নাই। বানপ্রস্থ বা সন্ন্যাসৰ পৰামর্শ শঙ্কৰদেৱে নাই দিয়া যদিও তেওঁ কৈছে যে "হৰিসে সবাৰো আত্মা বান্ধৰ ঈশ্বৰ। মায়াময় ইটো পুত্র ভার্যা কলেৱৰ।। আৰ অর্থে ব্যর্থে কেনে কৰা অনুতাপ।" কিন্তু ইয়াৰ তাৎপর্য এইটো নহয় যে শঙ্কৰদেৱৰ আদর্শ সংসাৰবিমুখ। বৈষয়িক জগতৰ মাজত থাকিও মায়াৰ স্বৰূপ উপলব্ধি কৰি ভগৱত প্রেম বা ভক্তি কৰাৰ পথনিদের্শনাহে শঙ্কৰদেৱে আগবঢ়াইছে। মায়াজালত এৰাব নোৱাৰাকৈ বান্ধ খাই আত্মচৈতন্য লুপ্ত হ'লেহে সংসাৰত নিকাৰ ভূগিব লগা হয়। কৃষ্ণই দ্বাৰকাত কৰাৰ দৰে অজস্র সংসাৰী কার্যত নিয়োজিত হ'লেও তাত দোষ-পাপ একো নাই কাৰণ বৈৰাগ্য নোলোৱাকৈও ভক্তিধর্ম আচৰণ কৰি হৰিত শৰণ ল'ব পাৰি। যদিহে মন ভক্তিভাবাপন্ন হয় সংসাৰত নিত্য নৈমিত্তিক পার্থিৰ জীৱনৰ কাম সঠিকভাৱে কৰি থাকিও পৰম শক্তিৰ অস্তিত্ব উপলব্ধি কৰিব পৰা যায়। কৃষ্ণই মায়াৰ গুণত কৰা বিভিন্ন লীলাৰ অংশৰূপে দ্বাৰকাত ঘোৰ সংসাৰী গৃহস্থ ৰূপে কৰা কার্যবোৰবোৰ তাৎপর্য ইয়াতেই নিহিত হৈ আছে। বৈষ্ণৱ ধর্মৰ পৰম আৰাধ্য দেৱতাজনক এজন আদর্শ গৃহী ৰূপে দেখুওৱাৰ মুখ্য উদ্দেশ্য হ'ল সংসাৰী ভক্তৰ কৃষ্ণৰ প্রতি প্রেম ভক্তি বৃদ্ধি কৰা। কৃষ্ণভক্তিৰ বাবে বৃহৎ আয়োজন, আড়ম্বৰ অথবা সাংঘাতিক গুৰু-গম্ভীৰ জ্ঞান, অৱস্থা নিস্প্রয়োজন। "তুমি তোমাৰ কর্ম কৰা আৰু হৃদয়ত হৰিনাম ধ্যান কৰি তেওঁৰ নাম

শ্ৰৱণ-কীৰ্ত্তন কৰা।" এইয়াই কৃষ্ণৰ লীলাৰ জৰিয়তে শঙ্কৰদেৱে সাধাৰণক বুজাব খোজা বিষয় বা দিব বিচৰা জীৱন-যাপনৰ শিক্ষা। কৃষ্ণই নাৰদক কোৱা "লোকক শিখাওঁ ই ধর্ম বেদ" কথাষাৰ আচলতে শঙ্কৰদেৱৰ ক্ষেত্রতো প্রযোজ্য। সাধাৰণজনক বৈষ্ণৱ পন্থাৰ ৰীতি বা আচৰণ শিকাবলৈকে শঙ্কৰদেৱৰ ইমানখিনি কলা-কৌশল আৰু চাতুর্য।

পৰম সত্তা ঈশ্বৰৰ প্রতি গভীৰভাৱে অনুৰক্ত হৈ একান্তভাৱে তেওঁতে আত্মসমর্পণ কৰাটোৱেই হৈছে ভক্তি। এনে ভক্তিৰ বাবে আৰাধ্যজনৰ প্রতি শ্রদ্ধা আৰু ধাউতি লাগিব। আনহাতে, যিসকলে প্রকৃতার্থত ভক্তিৰ এই মর্ম উপলব্ধি কৰিছে বা পৰমব্রহ্ম নাৰায়ণত মন সমর্পণ কৰিছে তেওঁলোকে ভক্তিৰ বাবেই আনকি মুক্তিকো কামনা নকৰে। এনে নিৰলস ভক্তিপৰায়ণ পৰম বৈষ্ণৱ হ'ল নাৰদ। তেওঁৰ কামনা বাসনাহীন ভগৱৎ ভক্তিৰ যিদৰে পাৰাপাৰ নাই, সেইদৰে ভগৱন্ত লীলাৰ আনন্দ আস্বাদন কৰিও যেন তেওঁৰ হেঁপাহ নপলায়। এনে আনন্দ আস্বাদনৰ বাবেই তেওঁৰ দ্বাৰকা গমন আৰু ফলশ্রুতিত তেওঁৰ অভীস্পিত কৃষ্ণ-গার্হস্থ্য লীলা দর্শন।

শঙ্কৰদেৱৰ পূর্বকালীন অসমত শাক্ত-শৈৱ আদি ধর্মৰ যি ব্যাপক প্রভাৱ আছিল তাৰ পৰিৱর্তন সহজসাধ্য নাছিল। মানুহৰ মনৰ সকলো অন্ধকাৰ অজ্ঞানতা আঁতৰাই প্রকৃত জ্ঞানৰ সন্ধান দিব পৰাকৈ শঙ্কৰদেৱ আছিল প্রতিভাশালী। সেয়েহে তেওঁ বিভিন্ন শ্রেণীৰ বিভিন্ন ৰূপৰ মানুহৰ মন আকর্ষণ কৰিবলৈ বিভিন্ন ব্যৱস্থাপনা কৰিবলগা হৈছিল। সমাজত ঘৰ-সংসাৰ কৰি জীৱন কটোৱাই যিহেতু চিৰাচৰিত ৰীতি সেয়েহে সমাজত এই বিপুল সংখ্যক মানুহৰ মনৰ কায চাপিবলৈকে তেওঁ কৃষ্ণক সাধাৰণ গৃহস্থৰ ভূমিকাত অৱতীর্ণ কৰাইছে। আনহাতে গৃহস্থ ৰূপৰ মাজত একাকাৰ হোৱা কৃষ্ণক দেখি সাধাৰণ জনে যাতে তেওঁৰ পৰম সত্তাক পাহৰি নাযায় তাৰ বাবেই একে সময়তে ষোড়শ হাজাৰ গৃহত বিভিন্ন ভূমিকাত তেওঁৰ অৱতাৰণা। বৈষ্ণৱ ধর্মৰ কৃষ্ণভাবাপন্ন এই আদর্শ প্রহ্লাদ ভক্তি আৰু ধ্রুৱৰ কাহিনীৰ মাজতো লক্ষ্য কৰা যায়।

পুৰণি সাহিতৰ বিবিধ ঘটনা-পৰিঘটনা সূক্ষ্মভাৱে নিজৰ চিন্তাৰে বিশ্লেষণ কৰি নতুন নতুন দিশেৰে আলোকপাত কৰাত পণ্ডিত তীর্থনাথ শর্মা সিদ্ধহস্ত। সেয়েহে তেওঁ মৌলিক চিন্তাৰে বিচাৰ কৰি প্রহ্লাদ বা ধ্রুৱৰ কাহিনী আৰু *কীর্ত্তন*ৰ আলোচিত অধ্যায়টিৰ মাজত সামঞ্জস্য উদঘাটন কৰিছে আৰু তিনিওটা ৰচনাকে একে শাৰীতে থিয় কৰাই প্রবন্ধটো ৰচনা কৰিছে। বিষ্ণুৰ পৰম ভক্ত প্রহ্লাদ। "দুর্লভ মনুষ্য জন্ম নকৰা বিফল। চিন্ত মনে মাধৱৰ চৰণ কমল" বুলি অহর্নিশে কৃষ্ণৰ জয়গান গোৱাই নহয় তেওঁৰ ভক্তিতে তুষ্ট হৈ ভগৱানৰ নৰসিংহ অৱতাৰ পর্যন্ত হ'ল। কিন্তু প্রহ্লাদৰ নিষ্কাম ভক্তিত আনন্দিত হৈ স্বয়ং ভগৱানে যেতিয়া তেওঁক দৈত্যসকলৰ ৰজা পাতিলে তেতিয়া তেওঁ কর্তব্যত সামান্যতমো ত্রুটি-বিচ্যুতি কৰা নাই। কৃষ্ণভক্তিৰ বাবেই পিতৃৰ পৰা অশেষ কষ্ট ভুগিব লগা হোৱা প্রহ্লাদে বহুকাল ৰজা হৈ প্রজা পালন কৰিলে। আপাতঃ দৃষ্টিত ৰাজ্যশাসন আৰু ভগৱৎ ভক্তি বিপৰীত মেৰুৰ বিষয় যেন লাগিলেও প্রকৃতার্থত সেয়া নহয়।

শঙ্কৰদেৱৰ নামধর্মৰ অনেক মর্মকথাৰ ইও এক প্রধান দিশ। ৰজাই ৰাজ্যশাসন কৰিও কৃষ্ণ ভক্তিৰে জীৱন সার্থক কৰিব পাৰে আৰু সাধাৰণ প্রজাই দ্বাৰকাবাসীৰ দৰে দৈনিক ঘৰুৱা কার্য কৰিও কৃষ্ণ নাম ল'ব পাৰে। দুয়োটা কথাই সমধর্মী। এই দুয়োটাৰ সমগোত্রীয় আন এটা কাহিনী হ'ল ধ্রুৱৰ আখ্যান। মহাৰাজ উত্তানপাদৰ পুত্র ধ্রুৱ হৰিভক্ত, কিন্তু সুবিখ্যাত ৰজা। ভক্তিৰে হৰিৰ কৃপা লাভ কৰি সকলো বিষয়তে সিদ্ধি পোৱা ধ্রুৱই পিতৃৰ সিংহাসন পোৱাৰ পিছত সুন্দৰভাৱে ৰাজধর্ম পালন কৰিছিল।তদুপৰি যথা সময়ত বিবাহাদি কৰি তেওঁ গৃহধর্মতো মন দিলে। বহুকাল এনেদৰে বৈষয়িক জীৱন কটোৱা ধ্রুৱৰ হৰিভক্তিও ক্রমান্বয়ে কিন্তু গভীৰহে হ'ল, নকমিল। অর্থাৎ হৃদয় যেতিয়া ভক্তিপৰায়ণ হয় তেতিয়া বাহ্যিক জীৱনে তাত বাধাৰ সৃষ্টি নকৰে। সেয়েহে শঙ্কৰদেৱৰ ধর্মত সন্ন্যাস, বৈৰাগ্য আদিৰ পৰামর্শ দিয়া হোৱা নাই আৰু বৈষ্ণৱ ধর্মৰ এই আদর্শ প্রকৃতার্থতপ্রবন্ধকাৰ শর্মৰো সমর্থনীয়।সেয়েহে তেওঁ এটা নির্দিষ্ট বিষয়ত সাদৃশ্য লক্ষ্য কৰি তিনিওটা আখ্যানক একেলগে লৈ প্রশংসনীয় দৃষ্টিৰে বিশ্লেষণ কৰিছে আৰু পৰৱর্তী কালত অসমতগঢ় লোৱা উদাসীন পন্থা যে শঙ্কৰদেৱৰপ্রভৱিত নাছিল তাকো স্পষ্টভাৱে উল্লেখ কৰিছে। প্রবন্ধটোৰ আলোচনাই লেখকৰ সূক্ষ্ম বিশ্লেষণ, মৌলিক চিন্তা আৰু স্পষ্ট আদর্শৰ স্বাক্ষৰ বহন কৰিছে।

১২.৪.২ পুৰণি সাহিত্যত নাৰদ

ব্রহ্মাৰ মানসপুত্র দেৱর্ষি নাৰদ পুৰণি ভাৰতীয় তথা অসমীয়া সাহিত্যৰ এটা গুৰুত্বপূর্ণ চৰিত্র।অতিশয় সঙ্গীতপ্রিয় নাৰদে ব্রহ্মা, বিষ্ণু আৰু উলুকৰ ওচৰত সঙ্গীতবিদ্যা, 'গানযোগ' আৰু গন্ধর্ব বিদ্যা শিকিছিল বুলি জনা যায়। বীণা যন্ত্র নাৰদৰে সৃষ্টি। ছান্দোগ্য উপনিষদত পোৱা যায় যে সকলো শাস্ত্র পঢ়ি শুনিও নাৰদে যেন প্রকৃত জ্ঞানৰ সন্ধান পোৱা নাই আৰু মনো শান্ত হোৱা নাই। সেয়েহে তত্ত্বদর্শী ঋষি সনৎকুমাৰৰ পৰা জ্ঞান জিজ্ঞাসা কৰিছে। মহাভাৰততো পৰম তত্ত্ব লাভৰ বাবে নাৰদে দেশ-দেশান্তৰ ঘূৰিছে আৰু স্বয়ং ভগৱন্ত বিষ্ণুৰ পৰা ধর্মোপদেশ শুনিও ক্ষান্ত নহৈ তপস্যা কৰিছে বা কেতিয়াবা কৈলাশৰ শিৱৰ কাষত শিষ্য ৰূপে থিয় হৈছেগৈ। এনেদৰে ভগৱৎ জ্ঞানৰ সন্ধান কৰি ফুৰা নাৰদ অৱশেষত প্রজ্ঞাৰে উজ্বল হৈ উঠিল আৰু আনক সংসাৰ পথত উপদেশ বা পথনির্দেশনা দিব পৰা হ'ল। তেওঁ ৰামায়ণৰ বাল্মীকিৰ সন্দেহ গুচাইছে বা ভাগৱতৰ ব্যাসকো তেওঁ উপদেশ দিছে। বেদ-পুৰাণ আদি ৰচনা কৰাৰ পিছতো অশান্ত হৈ থকা ব্যাসক বাসুদেৱ কৃষ্ণৰ গৌৰৱ-মাহাত্ম্য বর্ণনা কৰিবলৈ পৰামর্শ আগবঢ়াইছে। সমগ্র ভাগৱততে নাৰদ "ধীৰ, গম্ভীৰ, তীক্ষ্ণধী", সর্বজ্ঞ আৰু "ভগৱৎ ভক্তিৰ প্রচাৰক"। হৰিবংশৰ নাৰদৰ গাত এইবোৰ গুণ থাকিলেও তেওঁ বেছি পৰিহাসপ্রিয় আৰু দূতালি কৰি ভাল পোৱা লোক। সর্বভাৰতীয় সাহিত্যত এনেদৰে বিশেষ গুৰুত্ব পোৱা নাৰদ চৰিত্রটো অসমীয়া সাহিত্যত যথেষ্টভাৱে সলনি হৈ পৰিল।

অসমীয়া সাহিত্যত বৈষ্ণৱ যুগত নাৰদে নতুন ৰূপত আত্মপ্রকাশ কৰে। পোনপ্রথমে শঙ্কৰদেৱৰ হাততেই নাৰদৰ এই বিশেষ ৰূপৰ আৰম্ভণি ঘটে আৰু তেওঁৰ বিভিন্ন নির্মিতিত ই অতি আকর্ষণীয় ৰূপ পৰিগ্রহ কৰে। শঙ্কৰদেৱৰ আদর্শতে অনন্ত কন্দলী, গোপাল আতা আদিয়েও নাৰদক অনুৰূপ ভঙ্গীত উপস্থাপন কৰিছে। শঙ্কৰদেৱৰ নাৰদ আৰু সর্বভাৰতীয় সাহিত্যৰ নাৰদৰ মাজত ব্যাপক পার্থক্য লক্ষ্য কৰা যায়।

এই নাৰদ হ'ল ৰান্ধনীক উচতাই জোল খোৱা, গাঁও ফুৰি ভাল পোৱা প্রকৃতিৰ লোক। ফুৰাৰ চলেৰে ইঠাইৰ কথা সিঠাইত কৈ কন্দল লগাই ৰং চায়। কিন্তু তেওঁৰ এই ধূর্তালিৰ মাজত কোনো স্বার্থ নাই, আছে এক মহৎ কার্যসিদ্ধিৰ উদ্দেশ্য। কল্যাণকামী কিবা এক অভীষ্ট সিদ্ধিৰ বাবেই নাৰদে এনে পন্থা গ্রহণ কৰে।কিন্তু যেতিয়াই যি ৰূপতেই য'তেই নাথাকক নাৰদৰ কৃষ্ণভক্তিৰ সামান্যতমো হীন-দেৰি ঘটা নাই। নাৰায়ণৰ ভক্ত নাৰদৰ কার্যই পাঠকক আমোদ যোগায়, হহুৰায়।

এহাতে চৰিত্রটোৰে কাব্যৰ কাহিনীতো ঘটক হৈ থিয় দিয়ে, আনহাতে আওপকীয়াকৈ ৰসৰ প্রয়োজনো পূৰণ কৰে। শঙ্কৰদেৱৰ ৰচনাত নাৰদ ভগৱৎ ভক্তিপৰায়ণ; কিন্তু বিভিন্ন উদ্দেশ্যত ইঠাইৰ পৰা সিঠাইলৈ ভ্রমি ফুৰি বিভিন্ন কার্য সাধনেৰে মানুহক উপদেশ দিয়া, আমোদ দিয়া এটা লঘু চৰিত্র। ইয়াকে কৰিবলৈ গৈ কেতিয়াবা নাৰদৰ নশুৰ নাগতিও হৈছে। তথাপি নাৰদৰ অবাধ বিচৰণ কমা নাই। *কীর্ত্তন*তো নাৰদৰ এনে ৰূপৰ প্রকাশ ঘটিছে। ভগৱানৰ মাহাত্ম্য ঘোষণাৰ বাবে নাৰদে অনেক কার্য কৰি ফুৰিছে। ইয়াৰ মাজেদি কৃষ্ণৰ অপৰিসীম মহিমা নাৰদে নিজেও পুনঃ পুনঃ উপলব্ধি কৰিছে আৰু জগতকো বুজাইছে। নাৰদৰ কৃষ্ণ দর্শনো তেওঁৰ তেনে এক কার্যৰেই অংশ মাত্র। কৃষ্ণ-লীলা দর্শনেৰে পৰমানন্দ লাভেই নাৰদৰ মুখ্য লক্ষ্য যদিও ইয়াতো নিহিত হৈ আছে কৃষ্ণ মহিমা ঘোষণাৰ অন্তর্নিহিত উদ্দেশ্য।

১২.৪.৩ তীর্থনাথ শর্মাৰ গদ্যৰীতি

চিন্তাশীল প্রবন্ধ লেখক তীর্থনাথ শর্মাৰ ৰচনাৰ বিষয়বস্তুৰ গুৰুত্ব যিমান অসমীয়া সাহিত্যত তেওঁৰ গদ্যৰ গুৰুত্বও তাতকৈ কোনো গুণে কম নহয়।গহীন বিষয়বস্তু অনুকূলে তেওঁ সৃষ্টি কৰা গদ্য অসমীয়া গদ্যৰীতিৰ ইতিহাসত এক সবল সংযোজন বুলি ক'ব পাৰি।সংস্কৃত ভাষাত থকা দক্ষতা আৰু পাণ্ডিত্যৰ বাবে তেওঁৰ বিভিন্ন ৰচনাৰ ঘাই শিপাডাল যিদৰে সংস্কৃত সাহিত্যৰ লগত ওতঃপ্রোতভাৱে সম্পর্কিত হৈ পৰিছে সেইদৰে অসমীয়া ভাষাৰ জতুৱা বা বাকভঙ্গীৰ জ্ঞান আৰু ইয়াৰ প্রতি থকা আকর্ষণে তেওঁৰ গদ্যত সুন্দৰ ৰূপৰো সমাবেশ ঘটাইছে। শর্মাৰ ৰচনাৰাজিৰ প্রকৃতি যিহেতু বর্ণাঢ্য নহয় সেয়েহে তেওঁৰ গদ্যৰীতিয়ে বিচিত্র ৰূপ পোৱাৰো অৱকাশ নাই। কিন্তু চিন্তামূলক গদ্য সৃষ্টিৰ ক্ষেত্রত তেওঁৰ গদ্য হ'ল এক আদর্শনীয় দৃষ্টান্ত।

শর্মাৰঅধিকাংশ ৰচনাই সংস্কৃত তথা পুৰণি অসমীয়া সাহিত্য সম্পর্কীয়। অৱশ্যে তেওঁৰ সীমিত সংখ্যক আধুনিক সাহিত্য কেন্দ্রীক সমালোচনাও আছে। তেওঁ হয়তো অন্তৰৰ পৰা পুৰণি সাহিত্যৰ প্রতি এক গভীৰ আকর্ষণ অনুভৱ কৰিছিল আৰু এই বিষয়বোৰক নিজা দৃষ্টিভঙ্গীৰ আলোকেৰে বিচাৰ কৰিছিল। কিন্তু মনৰ ভিতৰত থকা এই আকর্ষণ আৰু জ্ঞানৰ প্রভাৱতে হয়তো তেওঁৰ গদ্যত সংস্কৃত শব্দৰ যথেষ্ট সমাহাৰ ঘটিল। বিষয়বস্তুৰ লগত সঙ্গতি ৰক্ষা কৰি প্রকাশ কৰিবলৈ যোৱাৰ ফলশ্রুতিতেই হয়তো শব্দ সন্নিবেশৰ এনে ৰীতি গঢ় লৈ উঠিল। কিন্তু শর্মাৰ সার্থকতা ইয়াতে যে সংস্কৃত শব্দৰ বেছি সহায় ল'লেও ইয়াৰ লগতে তেওঁ নিভাঁজ অসমীয়া শব্দ কেতবোৰকো সমানে ঠাই দিছিল। তদুপৰি বক্তব্য বিষয় বা ভাব স্পষ্ট আৰু চিন্তা স্বচ্ছ হোৱা বাবে এনে শব্দই তেওঁৰ ৰচনাক দুর্বোধ্য বা কৃত্রিম কৰিব পৰা নাই। শিষ্যানুকূল, সংস্কৃতানভিজ্ঞ, বিনয়াধীন, হেমাভৰণভূষিতা, বিদ্যাভাস আদি সন্ধিযুক্ত শব্দ ব্যৱহাৰৰ এক প্রৱণতাও তেওঁৰ গদ্যত পৰিলক্ষিত হয়। তেওঁৰ ৰচনাবোৰত এনে উদাহৰণ ব্যাপকভাৱে পোৱা যায়।

বাক্যৰীতিৰ ক্ষেত্রতো শর্মাৰ গদ্যত সংস্কৃত আৰু অসমীয়া নিভাঁজ জতুৱা ভঙ্গীৰ সুসমন্বয় ঘটিছে। যিকোনো বিষয় বর্ণনা কৰিবলৈ যাওঁতে যথেষ্ট সংখ্যক সংস্কৃত বাক্যাংশৰ উদ্ধৃতি খণ্ডবাক্য ৰূপে বাক্যত সন্নিৱিষ্ট কৰা ৰীতি তেওঁৰ গদ্যত পৰিলক্ষিত হয়। অৱশ্যে সংস্কৃতৰ উপৰি পুৰণি সাহিত্যৰ বাক্যাংশ সন্নিবেশেৰে বাক্য গঠনৰ ৰীতিও তেওঁৰ ৰচনাত অধিক। বাক্যৰীতিৰ ক্ষেত্রত তেওঁৰ গদ্যৰ আটাইতকৈ সবল দিশ হ'ল সংহত সাৰগর্ভ বাক্যসমূহ। "জ্ঞানৰ আন নাম অমৃত, "অহঙ্কাৰ জ্ঞানৰ পৰিপন্থী", "নম্রতাৰ বাক্যবোৰ বিদ্যালাভৰ প্রথম সোপান", আদি বাক্যবোৰ এহাতে যিদৰে লেখকৰ গভীৰ চিন্তাৰ ফচল আনহাতে তেওঁৰ সংযমী ব্যক্তিত্বৰো পৰিচায়ক। তদুপৰি প্রশ্নবোধক বাক্য ব্যৱহাৰেৰে বিষয়বস্তু যথাসাধ্য পাঠকৰসহজবোধ্য ৰূপত উপস্থাপনৰ চেষ্টাও তেওঁৰ গদ্যত বিৰাজমান। সংস্কৃত উদ্ধৃতি আৰু জতুৱা ঠাঁচৰ সুন্দৰ সহাৱস্থানযুক্ত বাক্যই তেওঁ গদ্যক উৎকৃষ্ট কৰি তুলিছে।

অনুচ্ছেদ ৰচনাৰ ক্ষেত্রতো এক পূর্বপৰিকল্পিত সুসংবদ্ধতা শর্মাৰ গদ্যৰ এক লক্ষণীয় বৈশিষ্ট্য। একেলগে বিভিন্ন দিশৰ অৱতাৰণা কৰি তেওঁ বর্ণনীয় বিষয়ক ধূসৰ কৰি তোলা নাই। ৰৰঞ্চ সুস্পষ্ট চিন্তাৰে এটাৰ পিছত আনটো বিষয় অনুচ্ছেদসমূহৰ জৰিয়তে ক্রমে ক্রমে উপস্থাপন কৰি তেওঁ গদ্যক সুশৃঙ্খলিত,সুসংবদ্ধ ৰূপত গঢ়ি তুলিছে। বাক্যভঙ্গী বা শব্দৰ ক্ষেত্রত নিভাঁজ জতুৱা ৰূপে স্বতঃস্ফূর্তভাৱে তেওঁৰ গদ্যত প্রকাশ লাভ কৰিছে যদিও তেওঁ সচেতন চেষ্টাৰে ক'তো ফকৰা,খণ্ডবাক্য প্রবচন আদি আৰোপ কৰা নাই। অর্থাৎ গদ্যক জতুৱা কৰাৰ চেষ্টাপ্রসূত উপস্থাপন শর্মাৰ গদ্যত অনুপস্থিত। আনহাতে, জটিল কথাবস্তুকো যথাসম্ভৱ সহজ তুলনাৰে পাঠকৰ সম্মুখত সৰলভাৱে অৱতাৰণা কৰাৰ চেষ্টা তেওঁ কৰে। বিভিন্ন প্রসঙ্গ, তুলনা, উদ্ধৃতি আদিৰে বর্ণনীয় কথাবস্তু

যুক্তিনিষ্ঠ আৰু বিশ্বাসযোগ্যতাৰে তেওঁ সততে উপস্থাপন কৰা দেখা যায়। তীৰ্থনাথ শৰ্মাৰ এনে থলুৱা উপমাযুক্ত দ্ব্যাৰ্থকতাহীন গদ্যৰ নিদৰ্শন দাঙি ধৰা হ'ল— "ভট্টদেৱৰ গদ্যক ন ভাঙনি মাটিৰ গছ মূঢ়াৰ মাজত হোৱা শস্য বুলিব লাগিব। সেউজীয়া পথাৰৰ সৌন্দৰ্য ইয়াত নাই; কিন্তু শস্যৰ প্ৰচুৰতা আছে।... ...ক্ষুদ্ৰানন্দবোৰৰ লগত নিৰানন্দ বা দুৰ্ভোগৰ ভয় বা আশংকাও মৌ পাৰিবলৈ গৈ মৌৰ কামোৰ খোৱাৰ দুৰ্ভোগ বা আশংকাৰ দৰে লাগিয়ে থাকে। অত্যাধিককৈ জিভাৰ তৃপ্তিদায়ক বস্তু খালে ৰোগ হোৱাৰ ভয় থাকে। পৰ্বত সমান ধন গোট খালে আয়কৰৰ সৰ্বগ্ৰাসী হেঁচাৰ, চোৰ-ডকাইতৰ বা বেঙ্ক দেউলীয়া হোৱাৰ আশঙ্কাই দিনে দিনেই খাই মাৰে। এনেকৈ দুৰ্ভোগৰ আশঙ্কা নথকা ভোগ নাই।"

দেখা যায় যে তীৰ্থনাথ শৰ্মাই বিবিধ তুলনাৰে বিষয়বোধ জন্মোৱাৰ চেষ্টা কৰোঁতে বহুসময়ত ৰসাত্মক ভঙ্গীও গ্ৰহণ কৰিছে। গহীন বিষয়বস্তুতো তেওঁ প্ৰয়োগ কৰা কথনশৈলী, তুলনা আৰু প্ৰসঙ্গই অনেক সময়ত মানুহক আনন্দৰ সোৱাদ দিয়ে। তেওঁৰ গদ্যত অযথা অপ্ৰয়োজনীয় বাগাড়ম্বৰ পৰিলক্ষিত নহয়। যিকোনো ক্ষেত্ৰতে দেখা যায় যে তেওঁ কোনো আঁৰ-বেৰ নকৰি পোনপটীয়াভাৱেপ্ৰথমবে পৰাই মূল বিষয়ৰ অৱতাৰণা কৰে। গহীন প্ৰবন্ধ গদ্যৰ ই এক প্ৰশংসনীয় দিশ। কাব্যিক মাধুৰ্য তথা লয় সংযুক্ত ৰূপত তেওঁৰ গদ্যই ঠায়ে ঠায়ে প্ৰকাশ লাভ কৰিছে। মুঠতে অসমীয়া গদ্য সাহিত্যত গুৰু গম্ভীৰ বিষয়বস্তুৰ অনুকূলে যথোপযুক্ত ভাৰসাম্য গুণযুক্ত নিটোল গদ্যৰ এক চানেকি তীৰ্থনাথ শৰ্মাই সৃষ্টি কৰিবলৈ সমৰ্থ হ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ তীৰ্থনাথ শৰ্মাৰ গদ্যৰীতিৰ বৈশিষ্ট্যসমূহ কি কি ?
(150টা শব্দৰ ভিতৰত)



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ যোগেদি আমি পণ্ডিত তীৰ্থনাথ শৰ্মাৰ জীৱন আৰু তেওঁৰ গভীৰ তত্ত্বমূলক ৰচনাসমূহৰ বিষয়ে অৱগত হ'লোঁ।
- এই গৰাকী জ্ঞান তপস্বী অসমীয়া সাহিত্যিকে ভাৰতীয় আধ্যাত্মিক জীৱন আৰু দৰ্শনৰ বহুমূলীয়া মণি-মুকুতা চয়ন কৰি অসমীয়া জ্ঞানান্বেষীজনৰ মানসিক পৰিতৃপ্তি বিধানৰ অৰ্থে সহজ-সৰল ভাষাত টীকা-ভাস্যসহ অনুবাদ-ব্যাখ্যা কৰি অসমীয়া আলোচনা সাহিত্যৰ ভঁৰাল টনকীয়াল কৰিলে।
- উপনিষদ আদিৰ মহৎ চিন্তাৰ লগতে বাস্তৱ জীৱন চিন্তাৰ কেতবোৰ মৌলিক দিশৰ আলোচনাৰ দ্বাৰা তেওঁ অসমীয়া ৰাইজক সাহিত্য ৰস আস্বাদনত সহায় কৰাৰ লগতে

বৌদ্ধিক চিন্তাৰ জগতখনলৈকো উৎকৃষ্ট বৰঙণি আগবঢ়ালে। তেওঁৰ মহৎ প্রবন্ধ সঙ্কলন *পঞ্চপুষ্পৰ* পৰা অনা 'নাৰদৰ কৃষ্ণ দর্শন' পাঠভাগে তেওঁৰ সেই উচ্চাত্মিক চিন্তাৰ লগত আমাক পৰিচিত কৰায় দিলে।

- পৰম সত্তা ঈশ্বৰৰ প্রতি গভীৰভাৱে অনুৰক্ত হৈ একান্তভাৱে তেওঁতে আত্মসমর্পণ কৰাটোৱেই হৈছে ভক্তি।এনে ভক্তিৰ বাবে আৰাধ্যজনৰ প্রতি শ্রদ্ধা আৰু ধাউতি লাগিব। আনহাতে যিসকলে প্রকৃতার্থত ভক্তিতে এই মন সমর্পণ কৰিছে তেওঁলোকে ভক্তিৰ বাবেই আনকি মুক্তিকো কামনা নকৰে। এনে নিৰলস ভক্তিপৰায়ণ পৰম বৈষ্ণৱ হ'ল নাৰদ। নাৰদৰ এই ভক্তিৰ কথা তীর্থনাথ শর্মাই মনোজ্ঞভাৱে নিজৰ ৰচনাত আলোচনা কৰিছে।
- চিন্তাশীল প্রবন্ধলেখকতীর্থনাথ শর্মাৰ ৰচনাৰ বিষয়বস্তুৰ গুৰুত্ব যিমান অসমীয়া সাহিত্যত তেওঁৰ গদ্যৰ গুৰুত্ব তাতকৈ কোনো গুণে কম নহয়। গহীন বিষয়বস্তু অনুকূলে তেওঁ সৃষ্টি কৰা গদ্য অসমীয়া গদ্যৰীতিৰ ইতিহাসত এক সবল সংযোজন বুলি ক'ব পাৰি।
- বাক্যৰীতিৰ ক্ষেত্রত শর্মাৰ গদ্যত সংস্কৃতি আৰু অসমীয়া নিভাঁজ জতুৱা ভঙ্গীৰ সুসমন্বয় ঘটিছে। যিকোনো বিষয় বর্ণনা কৰিবলৈ যাওঁতে যথেষ্ট সংখ্যক সংস্কৃত বাক্যাংশৰ উদ্ধৃতি খণ্ডবাক্য ৰূপে বাক্যত সন্নিৰিষ্ট কৰা ৰীতি তেওঁৰ গদ্যত পৰিলক্ষিত হয়। সংস্কৃত উদ্ধৃতি আৰু জতুৱা ঠাচৰ সুন্দৰ সহাৱস্থানযুক্ত বাক্যই তীর্থনাথ শর্মাৰ গদ্যক উৎকৃষ্ট কৰি তুলিছে।



১২.৬ অধিক জানিবলৈ

1) গোস্বামী, মালিনী আৰু মজুমদাৰ, পৰমানন্দ (সম্পা.) (2010); *তীর্থনাথ শর্মা ৰচনাৱলী (প্রথম খণ্ড আৰু দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।
2) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* চন্দ্র প্রকাশ ঃ গুৱাহাটী।
3) ভৰালী, শৈলেন (2009); *বাণীকান্ত কাকতিৰ পৰা ভবেন বৰুৱালৈ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।
4) শর্মা, সত্যেন্দ্রনাথ (2008); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।



১২.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ তীর্থনাথ শর্মাৰ জন্ম... ...তেওঁৰ পিতৃ-মাতৃৰ পৰিচয়... ...প্রাৰম্ভিক শিক্ষা জীৱন... ..তেওঁৰ উচ্চ শিক্ষা লাভ... ...মেধা আৰু বিচক্ষণতাৰ বাবে লাভ কৰা সন্মান... ...কর্মজীৱন... ...গহীন সমালোচক হিচাপে তীর্থনাথ শর্মাৰ কৃতি।

২নং প্ৰশ্নৰ উত্তৰ ঃ তীৰ্থনাথ শৰ্মাৰ চমু পৰিচয়... ...তেওঁৰ গদ্যৰ বৈশিষ্ট্যসমূহ পাঠৰ আলোচনাৰ আধাৰত উল্লেখ কৰিব লাগিব।



১২.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ তীৰ্থনাথ শৰ্মাৰ সাহিত্য প্ৰতিভা আলোচনা কৰি 'নাৰদৰ কৃষ্ণ দৰ্শন' প্ৰবন্ধত তেওঁৰ নিজস্ব আদৰ্শৰ প্ৰকাশ কিদৰে ঘটিছে দেখুৱাওক।

প্ৰশ্ন ২ ঃ গদ্য লেখক হিচাপে তীৰ্থনাথ শৰ্মাৰ গদ্যৰীতিৰ ৰূপ কেনে ধৰণৰ এটি বিচাৰ আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ পুৰণি সাহিত্যৰ আকৰ্ষণীয় চৰিত্ৰ নাৰদ সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন ৪ ঃ নাৰদৰ কৃষ্ণ দৰ্শনৰ তাৎপৰ্য কি? বৈষ্ণৱ ধৰ্মৰ আদৰ্শৰপ্ৰতিফলন ইয়াত কেনেদৰে ঘটিছে?

প্ৰশ্ন ৫ ঃ নাৰদৰ কৃষ্ণ দৰ্শনৰ লগত ধ্ৰুৱ আৰু প্ৰহ্লাদৰ কাহিনীৰ সাদৃশ্য কোনখিনিত? এই সম্পৰ্কত তীৰ্থনাথ শৰ্মাই কেনে বিশ্লেষণ দাঙি ধৰিছে আলোচনা কৰক।

*** ***** ***